**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 24-07-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কেন্দ্ৰীয় বাজেটত একাংশ ৰাজ্যৰ ক্ষেত্ৰত বৈষম্য হোৱা বুলি উত্থাপিত অভিযোগ অস্বীকাৰ কৰিছে।

২। ভাৰতীয় জনতা পাৰ্টীয়ে নীট ইউ জি পৰীক্ষা আৰু ২০২৪-২৫ বৰ্ষৰ বাজেটক লৈ প্ৰশ্ন উত্থাপন কৰা বাবে বিৰোধী দলসমূহক কঠোৰ সমালোচনা কৰিছে।

৩। সংসদৰ বিৰোধী পক্ষ আই এন ডি আই মিত্ৰজোঁটে কেন্দ্ৰীয় বাজেটত বিৰোধী দলৰ দ্বাৰা শাসিত ৰাজ্যসমূহলৈ ধন আৱণ্টনৰ ক্ষেত্ৰত বৈষম্যৰ অভিযোগ তুলি আজি সংসদৰ বাহিৰে-ভিতৰে প্ৰতিবাদ সাব্যস্ত কৰে।

৪। নেপালত আজি কাঠমাণ্ডুৰ ত্ৰিভূৱন অন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা উৰণৰ সময়ত সৌৰ্য্য এয়াৰলাইনছৰ এখন বিমান দুৰ্ঘটনাগ্ৰস্ত হৈ ১৮ জন লোকৰ মৃত্যু হৈছে।

*আৰু*

৫। মহিলা এছিয়া কাপ টি-২০ ক্ৰিকেট প্ৰতিযোগিতাত আজি শ্ৰীলংকাৰ ডাম্বুলা আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ **বি**ৰ এখন খেলত বাংলাদেশ মালয়াছিয়াৰ বিৰুদ্ধে আৱতীৰ্ণ হ'ব।

০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কেন্দ্ৰীয় বাজেটত একাশ ৰাজ্যৰ ক্ষেত্ৰত বৈষম্য হোৱা বুলি উত্থাপিত অভিযোগ অস্বীকাৰ কৰিছে। ৰাজ্যসভাৰ শূন্যকালত আজি বিৰোধী দলসমূহে উত্থাপন কৰা অভিযোগৰ প্ৰত্যুত্তৰত তেওঁ ওলোটাই এই বুলি অভিযোগ কৰে যে, বিৰোধী শাসিত ৰাজ্যসমূহলৈ একোৱেই দিয়া হোৱা নাই বুলি কংগ্ৰেছ নেতৃত্বাধীন বিৰোধী পক্ষই অবিৰতভাৱে জনসাধাৰণক পতিয়ন নিওৱাৰ চেষ্টা কৰি আহিছে। তেওঁ এই কথা স্পষ্ট কৰি দিয়ে যে, প্ৰতিখন বাজেটত দেশৰ প্ৰত্যেকখন ৰাজ্যৰ নাম উল্লেখ কৰাৰ সুবিধা নাথাকে। কোনো এখন নিৰ্দিষ্ট ৰাজ্যৰ নাম বাজেটত উল্লেখ নকৰাটোৱে সেই ৰাজ্যখনক কেন্দ্ৰীয় চৰকাৰৰ আঁচনিসমূহে সামৰি নোলোৱাটোক নুবুজায় বুলি উল্লেখ কৰি তেওঁ লগতে কয় যে, কেন্দ্ৰীয় মন্ত্ৰীসভাই মহাৰাষ্ট্ৰ আৰু পশ্চিমবংগৰ ভালেমান উন্নয়নমূলক প্ৰকল্পৰ প্ৰতি অনুমোদন জনাইছে।

আজি পুৱা সদন মিলিত হোৱা সময়ত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই বিষয়টো উত্থাপন কৰি কেন্দ্ৰীয় বাজেটখনক চৰকাৰক ৰক্ষা কৰাৰ উপায় হিচাপে ব্যৱহাৰ কৰা বুলি অভিযোগ কৰে। বিৰোধী পক্ষই ইয়াৰ বিৰোধিতা কৰিব বুলি উল্লেখ কৰি তেওঁ, বাজেটখনত সমতা নাথাকিলে উন্নয়ন কেনেদৰে সম্ভৱ হ'ব বুলি প্ৰশ্ন উত্থাপন কৰে। বিষয়টোক লৈ বিত্তমন্ত্ৰীগৰাকীৰ প্ৰত্যুত্তৰৰ পাছত বিৰোধীদলসমূহে উচ্চ সদন ত্যাগ কৰে।

ইয়াৰ পূৰ্বে বিৰোধী সাংসদসকলৰ সদন স্থগিত ৰখাৰ জাননী নাকচ কৰি অধ্যক্ষ জগদীপ ধনখড়ে কয় যে, এনে জাননী ব্যতিক্ৰমী পৰিস্থিতিত হে গ্ৰহণ কৰা হয়। বিগত ৩৬ বছৰৰ ভিতৰত ছবাৰ হে এনে স্থগিতকৰণৰ জাননী গ্ৰহণ কৰা হৈছে বুলিও তেওঁ লগতে উল্লেখ কৰে।

আনহাতে লোকসভাতো একেটা বিষয়ক লৈ বিৰোধীপক্ষই আজি  সদন ত্যাগ কৰে। আজি পুৱা সদনৰ কাম-কাজ আৰম্ভ হোৱাৰ সময়তে কংগ্ৰেছ, সমাজবাদী পাৰ্টী, ডি এম কে, টি এম চি আৰু আন আন বিৰোধী দলসমূহৰ সদস্যসকলে থিয় হৈ অন্ধ্ৰপ্ৰদেশ আৰু বিহাৰৰ বাহিৰে আন ৰাজ্যসমূহৰ ক্ষেত্ৰত বৈষম্য হোৱা বুলি অভিযোগ কৰি প্ৰতিবাদ সাব্যস্ত কৰে। অধ্যক্ষ ওম বিৰলাই সদনত বিৰোধী পক্ষৰ এনে আচৰণৰ বিৰুদ্ধে মত পোষণ কৰি, সদনৰ প্ৰশ্নকালৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰাৰ বাবে পৰিকল্পিতভাৱে কৰা এনে চেষ্টাক অযুক্তিকৰ বুলি আখ্যা দিয়ে। একেদৰে সংসদীয় পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱেও বিৰোধী পক্ষৰ সাংসদসকলৰ আচৰণক লৈ প্ৰশ্ন উত্থাপন কৰে।

০০০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে নীট ইউ জি পৰীক্ষা আৰু ২০২৪-২৫ বৰ্ষৰ বাজেটক লৈ প্ৰশ্ন উত্থাপন কৰা বাবে বিৰোধী দলসমূহক কঠোৰ সমালোচনা কৰিছে। নতুন দিল্লীত আজি এখন সংবাদ মেলত জ্যেষ্ঠ বিজেপি নেতা ৰবিশংকৰ প্ৰসাদে কয় যে, নীটৰ পৱিত্ৰতাৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা হোৱা নাই বুলি উচ্চতম ন্যায়ালয়ে ইয়াৰ ৰায়দানত স্পষ্ট কৰি দিয়া সত্বেও বিৰোধী দলসমূহে দেশবাসীক বিপথে পৰিচালিত কৰাৰ চেষ্টা কৰি আহিছে। পৰীক্ষাটোত অনিয়ম সংঘটিত হোৱা বুলি জানিব পৰাৰ লগে লগে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা বুলি উল্লেখ কৰি তেওঁ কয় যে, এইক্ষেত্ৰত তাৎক্ষণিকভাৱে চি বি আইৰ তদন্তৰ নিৰ্দেশ দিয়া হৈছিল। কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে এই সন্দৰ্ভত বিশ্ববাসীৰ ওচৰত ভাৰতৰ এখন নেতিবাচক ছবি দাঙি ধৰা বুলি অভিযোগ কৰি নেতাগৰাকীয়ে কয় যে, ৰাষ্ট্ৰীয় প্ৰৱেশ তথা যোগ্যতা পৰীক্ষাৰ ক্ষেত্ৰত বিৰোধী দলসমূহে গ্ৰহণ কৰা ভূমিকাক বিজেপিয়ে গৰিহণা দিছে।

আনহাতে ২০২৪-২৫ বৰ্ষৰ বাজেটৰ সন্দৰ্ভত বিৰোধী দলসমূহে প্ৰকাশ কৰা মন্তব্যৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শ্ৰী প্ৰসাদে কয় যে, এই বাজেটখন সমাজৰ সকলো শ্ৰেণীৰ লোকৰ কল্যাণৰ প্ৰতি লক্ষ্য ৰাখি প্ৰস্তুত কৰা হৈছে। বিৰোধী দলসমূহে বাজেটখন অধ্যয়ন কৰি ইয়াক বুজিবলৈ চেষ্টা কৰা উচিত বুলি তেওঁ মতপ্ৰকাশ কৰে।

ইফালে, সংসদৰ বিৰোধী পক্ষ আই এন ডি আই মিত্ৰজোঁটে কেন্দ্ৰীয় বাজেটত বিৰোধী দলৰ দ্বাৰা শাসিত ৰাজ্যসমূহলৈ ধন আৱণ্টনৰ ক্ষেত্ৰত বৈষম্যৰ অভিযোগ তুলি সংসদ ভৱনৰ বাহিৰত আজি প্ৰতিবাদ সাব্যস্ত কৰে। প্ৰতিবাদৰ সময়ত তেওঁলোকে দেশৰ সকলো ৰাজ্যকে সমভাৱে ধন আৱণ্টনৰ দাবী জনায়।

পাছত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কংগ্ৰেছ দলৰ সভাপতি তথা ৰাজ্যসভাৰ বিৰোধী দলপতি মল্লিকাৰ্জুন খাৰ্গেই, বাজেটত বিৰোধী দল শাসনত থকা ৰাজ্যসমূহলৈ পুঁজি আৱণ্টনৰ বিষয়টোত অবিচাৰ কৰা হৈছে বুলি অভিযোগ কৰে। তেওঁ লগতে কয় যে, তেওঁলোকে এই বিষয়টোৰ বিৰুদ্ধে সদনৰ ভিতৰে-বাহিৰে প্ৰতিবাদ অব্যাহত ৰাখিব।

০০০০০০০০০

চৰকাৰে কৰ্কট ৰোগৰ ঔষধক ব্যয়সাধ্য কৰি তোলাৰ লক্ষ্যৰে এনে ঔষধৰ ক্ষেত্ৰত সীমাশুল্ক ৰেহাই দিয়াৰ ব্যৱস্থা কৰিছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কালি দাখিল কৰা ২০২৪-২৫ বৰ্ষৰ কেন্দ্ৰীয় বাজেটত কৰ্কট ৰোগৰ অতিৰিক্ত তিনিবিধ দৰবৰ ক্ষেত্ৰত সীমাশুল্ক ৰেহাইৰ প্ৰস্তাৱ ঘোষণা কৰে। এই তিনিবিধ দৰব

হ'ল স্তনৰ কৰ্কট ৰোগৰ বাবে ব্যৱহৃত ট্ৰেষ্টুজুমাব্ ডেৰুক্সটেকান, হাওঁফাওঁৰ কৰ্কট ৰোগৰ অছিমাৰ্টিনিব আৰু হাওঁফাওঁ তথা পিত্তৰ কৰ্কট ৰোগৰ বাবে ব্যৱহৃত দুৰ্ভালুমাব। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰ্যালয়ে প্ৰকাশ কৰা মতে এই সিদ্ধান্তৰ ফলস্বৰূপে দেশৰ প্ৰায় ২৭ লাখ কৰ্কটৰোগী উপকৃত হ'ব। মন্ত্ৰ্যালয়ে লগতে প্ৰকাশ কৰা মতে বিত্তমন্ত্ৰীয়ে বাজেটত এক্স-ৰে' টিউব আৰু আন আনুসংগিক সামগ্ৰীৰ ক্ষেত্ৰতো সীমাশুল্ক সংশোধনৰ প্ৰস্তাৱ আগবঢ়াইছে। ইয়াৰ ফলত এক্স-ৰে' মেচিনৰ মূল্য তথা এক্স-ৰে' সম্পাদনৰ ব্যয় হ্ৰাস পাব বুলি আশা কৰা হৈছে।

০০০০০০০০০

নেপালত আজি কাঠমাণ্ডুৰ ত্ৰিভূৱন অন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ পৰা উৰণৰ সময়ত সৌৰ্য্য এয়াৰলাইনচৰ এখন বিমান দুৰ্ঘটনাগ্ৰস্ত হৈ ১৮ জন লোকৰ মৃত্যু হৈছে। জ্যেষ্ঠ আৰক্ষী অক্ষীধক ডাম্বৰ বাহাদুৰ বি কেই জনাইছে যে বিমান দুৰ্ঘটনাটোত মৃত্যু হোৱা লোকসকলৰ মৃতদেহসমূহ সমগ্ৰ অঞ্চলটোত সিঁচৰিত হৈ পৰে। যাত্ৰীসকলৰ এজনক জীৱিত অৱস্থাত উদ্ধাৰ কৰা হৈছে।

সৌৰ্য্য এয়ালৰলাইনছৰ বিমানখনে বিমান মেৰামতি কৰা কৰ্মচাৰীসকলক পোখৰালৈ কঢ়িয়াই লৈ গৈ আছিল। দুৰ্ঘটনাটোৰ পাছতেই দেশখনৰ গৃহমন্ত্ৰী ৰমেশ লেখক ত্ৰিভূৱন আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰত উপস্থিত হয়।

০০০০০০০০০

জল জীৱন মিছনে দেশৰ গ্ৰামাঞ্চলৰ ১৫ কোটি পৰিয়াললৈ নলযোগে পানী যোগানৰ সংযোগ প্ৰদান কৰি ঐতিহাসিক সাফল্য অৰ্জন কৰিছে। ২০২৪ চনৰ ভিতৰত গ্ৰামাঞ্চলৰ প্ৰতিটো পৰিয়ালক নলযোগে পানী যোগানৰ লক্ষ্যৰে ২০১৯ চনত এই অভিযানৰ ঘোষণা কৰা হৈছিল। বিগত পাঁচ বছৰত এই অভিযানৰ অধীনত নলযোগে পানী যোগান লাভ কৰা পৰিয়ালৰ সংখ্যা ৩ কোটিৰ পৰা ১৫ কোটিলৈ বৃদ্ধি কৰা হৈছে।

জল শক্তি মন্ত্ৰী চি আৰ পাটিলে সামাজিক মাধ্যমযোগে কৈছে যে এই সাফল্যই দেশবাসীক অকল বিশুদ্ধ পানীৰ উপহাৰ প্ৰদান কৰাই নহয় বৰং তেওঁলোকৰ জীৱনৰ মানো উন্নত কৰিছে। বৰ্তমানলৈকে ৮খন ৰাজ্য আৰু ৩টা কেন্দ্ৰীয় শাসিত অঞ্চলে পানী যোগানৰ ১০০ শতাংশ লক্ষ্যত উপনীত হৈছে। ইয়াৰ ভিতৰত গোৱা, তেলেংগানা, হাৰিয়ানা, গুজৰাট, পাঞ্জাব, হিমাচল প্ৰদেশ, মিজোৰাম, অৰুণাচল প্ৰদেশ, পুডুচেৰী, দাদ্ৰা-নগৰ হাভেলী দমন আৰু দিউ আৰু আন্দামান নিকোবৰ দ্বীপপুঞ্জ আছে।

০০০০০০০০০

উচ্চতম ন্যায়ালয়ে আদালতৰ কৰ্ম সম্পাদনৰ সময়ৰ ক্ষেত্ৰত নিয়মৰ কিছু সাল-সলনি ঘটাইছে। শেহতীয়া সংশোধনী অনুসৰি এতিয়াৰে পৰা উচ্চতম ন্যায়ালয়ৰ কামৰ সময় হ'ব পুৱা ১০ বজাৰ পৰা বিয়লি ৫ বজালৈ। তদুপৰি সৰ্বোচ্চ ন্যায়ালয়ৰ শেহতীয়া জাননীত প্ৰকাশ পোৱা মতে বন্ধৰ দিনসমূহৰ লগতে প্ৰতি মাহৰ দ্বিতীয় আৰু চতুৰ্থ শনিবাৰে ন্যায়ালয়ৰ কাৰ্যালয় বন্ধ থাকিব। এই নতুন সময় সূচী অহা ১ আগষ্টৰ পৰা কাৰ্যকৰী হ'ব বুলি জাননীখনত প্ৰকাশ কৰিছে।

০০০০০০০০০

কৰ্মচাৰীৰ ৰাজ্যিক বীমা আঁচনিৰ অধীনত ২০ লাখৰো অধিক নতুন শ্ৰমিকৰ নামভৰ্তি কৰা হৈছে। শ্ৰম আৰু নিয়োগ মন্ত্ৰ্যালয়ে জনাইছে যে মুঠ ২৩ লাখ কৰ্মচাৰীৰ ভিতৰত ১১ লাখতকৈও অধিক কৰ্মচাৰী ২৫ বছৰ বয়স পৰ্যন্ত গোটৰ অন্তৰ্গত। আনহাতে মে' মাহত মহিলা সদস্যৰ নামভৰ্তিৰ সংখ্যা আছিল ৪ লাখ ৪৭ হাজাৰ।

०००००००००

মহিলা এছিয়া কাপ টি-২০ ক্রিকেট প্ৰতিযোগিতাৰ আজি শ্ৰীলংকৰ ডাম্বুলা আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ **বি**ৰ এখন খেলত বাংলাদেশ মালয়াছিয়াৰ বিৰুদ্ধে আৱতীৰ্ণ হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন দিনৰ ২ বজাত আৰম্ভ হ'ব। আনহাতে সন্ধিয়া সাত বজাত আৰম্ভ হ'বলগীয়া গ্ৰুপ **বি**ৰ আন এখন খেলত শ্ৰীলংকা থাইলেণ্ডৰ মুখামুখি হ'ব।

ইফালে, ভাৰতে কালি শ্ৰীলংকাৰ ডাম্বুলাত অনুষ্ঠিত গ্ৰুপ পৰ্যায়ৰ নিজৰ অন্তিমখন খেলত নেপালক ৮২ ৰাণত পৰাস্ত কৰি ছেমি ফাইনেলত স্থান নিশ্চিত কৰে। নেপালে ১৭৯ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ৯৬ ৰাণ ৰাণহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ হৈ দিপ্তী শৰ্মাই তিনিটা উইকেট দখল কৰাৰ বিপৰীতে ৰাধা যাদৱ আৰু অৰুন্ধতী ৰেড্ডীয়ে দুটাকৈ উইকেট লাভ কৰে।

ইয়াৰ আগেয়ে ভাৰতে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ শ্বেফালি বাৰ্মাৰ ৮১ আৰু দয়ালন হেমলতাৰ ৪৭ ৰাণৰ সহায়ত নিৰ্ধাৰিত ২০ অভাৰত তিনিটা উইকেটৰ বিনিময়ত ১৭৮ ৰাণ কৰে। শ্বেফালি বাৰ্মা আৰু হেমলতাই প্ৰথম উইকেটৰ যুটীত ১২২ ৰাণ সংগ্ৰহ কৰে। শ্বেফালি বাৰ্মাক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়।

প্ৰতিযোগিতাৰ গ্ৰুপ এৰ পৰা ভাৰত আৰু পাকিস্তানে ইতিমধ্যে ছেমি ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে নেপাল আৰু ইউ এ ই প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

০০০০০০০০০

**সমাপ্ত**